# এৰৈকশ শতিকাৰ দক্ষতাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় নেতা আৰু ছাত্ৰছাত্ৰীৰ -সামগ্ৰিক উন্নয়ন)Holistic Development of School Leaders and Students in terms of 21st Century Skills(

-ড০ অনুপ হাজৰিকা
প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং

**প্ৰস্তাৱনা(Preamble)**: এৰৈকশ শতিকাৰ জীৱন বেছি আন্তৰ্সংযোগীয়, আন্তঃৰাষ্ট্ৰীয়/আন্তৰ্জাতিক আৰু কৰ্মস্থলীৰ সফলতা আৰু শিক্ষাৰ বাবে নতুন কৌশলৰ আৱশ্যকা। প্ৰত্যেক অনুষ্ঠানৰ সফলতা ঘাইকৈ নেতাৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে৷ এৰৈকশ শতিকাৰ শৈক্ষিক নেতাক ফলপ্ৰসূ/প্ৰভাৱী হ'বৰ বাবে সবল নেতৃত্ব দক্ষতাৰআৱশ্যকা। দীৰ্ঘম্যাদী পৰিবৰ্তনৰ বাবে তেওঁলোকে এৰৈকশ শতিকাৰ কৌশলবোৰ ব্যৱহাৰ আৰু প্ৰয়োগ কৰাটো নিতা ন্তই প্ৰয়োজন।নেতৃত্বই কিছু বিশেষ প্ৰশিক্ষণ আৰু উন্নীত কৌশলৰ দাবী কৰে যাৰ সহায়ত জৰুৰী কালীন পৰিস্থিতিৰলগতে মানৱ সম্পদ আৰুমানৱ সম্পদ বিহীন দুয়োটাকে ফলপ্ৰসূ ভাৱে পৰিচালনা কৰিব পাৰে৷ Piaw, Hee, Ismail and Ying (২০১৩ৰ( মতে নেতৃত্ব কৌশলে সফল আৰু অসফল বিদ্যালয়ৰ পাৰ্থক্য দেখুৱাব পাৰে । Dede(২০০৯) উল্লেখ কৰিছিল যে প্ৰত্যেক ব্যক্তিৰ বাবে এৰৈকশ শতিকাৰ কৌশলৰ প্ৰশিক্ষণ এক অত্যন্ত গুৰুত্বপূৰ্ণ আৱশ্যকতা, কিন্তু ইয়াক এতিয়াও বি দ্যালয় নেতাৰ বৃত্তিগত বিকাশ)ProfessionalDevelopmentৰ( ক্ষেত্ৰত অৱহেলা কৰি অহা হৈছে৷ শেহতী য়া গৱেষণাইপ্ৰতীয়মান কৰিছে যে এৰৈকশ শতিকাৰ বিদ্যালয় ব্যৱস্থা যোৱা শতিকাবোৰতকৈ পৃথক)H arris,2020।( বিশ্বায়ন, প্ৰযুক্তি, বৰ্ধিত নামভৰ্তি,দায়বদ্ধতা আৰু জৰুৰীকালীন পৰিস্থিতিয়ে বিদ্যালয় নেতাৰ পৰাবৈচিত্ৰপূৰ্ণ নেতৃত্ব কৌশল আৰু ৰণকৌশল দাবী কৰি আহিছে৷

**শিকন উদ্দেশ্য(Learning Objectives):** এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-


- এৰৈকশ শতিকাৰ দক্ষতা সম্পৰ্কে অৱগত হ'ব৷
- ৰিজ্জ'(Rizzo)ৰএৰৈকশ শতিকাৰ 4C নেতৃত্ব আৰ্হি আৰুলিড)LEAADৰ( আধাৰৰ বিষয়ে জানিব্যাখ্যা কৰিব পাৰিব৷
- এৰৈকশ শতিকাৰ দক্ষতাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় নেতা আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক উন্নয়ন সম্পৰ্কে আলোচনা কৰিব পাৰিব৷

**মূল শব্দবোৰ**)Key-word Used): **এৰৈকশ শতিকাৰ নেতৃত্ব কৌশল** (21st Century Leadership Skills), বিদ্যালয় নেতা(SchoolLeaders),ধাৰণাত্মক আধাৰ (ConceptualFramework), নেতৃত্ব আৰ্হি(LeadershipModel) আৰু বিশ্ব অৰ্থনৈতিক মঞ্চ (World Economic Forum)।

## এৰৈকশ শতিকাৰ বিদ্যালয় নেতৃত্বকৌশল বা দক্ষতাসমূহ (21st Century School Leadership Skills):

নেতৃত্ব কৌশলবোৰ বিদ্যালয় নেতাৰ বাবে তেওঁলোকৰ কামবোৰ সূচাৰুৰূপে কৰিবলৈকে মাথোগুৰুত্বপূৰ্ণনহয়, এৰৈকশ শতিকাত তেওঁলোকৰ স্থান বৰ্তাই ৰখাৰ বাবেওই গুৰুত্বপূৰ্ণ । বিদ্যালয়খনে উচ্চ পৰ্যায়ৰ সফলতা লাভ কৰিবলৈ হ'লে বিদ্যালয় নেতাক বহুতো নেতৃত্ব কৌশলৰ আৱশ্যক। বিদ্যালয় নেতাই বিদ্যালয়ত এখন জাহাজৰ কেপ্তেইনৰ দৰে কাৰ্য সম্পাদন কৰে। বিদ্যালয় নেতাই বিদ্যালয়ব্যৱস্থাৰ সকলো দিশতে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিদ্যালয় নেতাই একেধাৰে শিক্ষক প্ৰশিক্ষক (Educator), পৰিচালক

(Manager), ৰণকৌশলভিত্তিক সমস্যা সমাধানকাৰী (Strategic Problem Solver), পৰ্যবেক্ষক আৰু শিকন নেতা পৰ্যবেক্ষক ( Supervisor and Learning Leader Supervisor ), বিনিময়ক (Barterers), অনুধাৱক (Advocators),পৰিজন নেতা (Servant Leaders), শিকন নেতা (Learning Leaders) ইত্যাদি ৰূপে দায়িত্ব পালন কৰিব লগা হয় ।Suto(২০১৩)
ৰ মতে একৈশশতিকাৰ বাবে প্ৰয়োজনীয় উল্লেখযোগ্য সাধাৰণ কৌশলসমূহ হৈছে-
আন্তঃবিভাগীয় কৌশলসমূহ (Interdisciplinary Skills),সমস্যাসমাধানৰ কৌশলসমূহ(Problem solving Skills), তথ্য আৰু যোগাযোগ প্ৰযুক্তি সম্পাদন (ICT Operations), অংশীদাৰিত্ব (Partnership),ফলপ্ৰসূ যোগাযোগ (EffectiveCommunication) আৰু তথ্য সাক্ষৰতা (Information Literacy)।যেতিয়া এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ বাবেসমাজৰ বাবে ,পৰিয়ালৰ বাবে ,বিদ্যালয়ৰ বাবে , আৰু সকলোৰে ওপৰত ৰাষ্ট্ৰৰ বাবে থকা তেওঁৰ দায়িত্ব আৰু কৰ্তব্য সাৰ্থকভাৱে সম্পাদন আৰু সম্পূৰ্ণৰূপে পালন কৰেএকমাত্ৰ তেতিয়াহে শিকন সম্পূৰ্ ,ণ আৰু সামগ্ৰিক হোৱা বুলি ক'ব পাৰি । লক্ষ্য হৈছে নিজ শক্তি আৰু সামৰ্থৰ প্ৰতি সজাগ সু নাগৰিক আৰু দায়িত্বশীল মানুহ সৃষ্টি কৰা-(CBSE, 2020)। সঘনাই পৰিৱৰ্তিত কামৰ পৃথিৱীত বিদ্যালয়ৰ বাহিৰৰ জীৱনৰ অন্বেষণ কৰিবলৈ ছাত্ৰছাত্ৰীয়ে একৈশ - অৰ্থনৈতিক আৰু -শতিকাৰ কৌশলবোৰ আয়ত্ব কৰাটো প্ৰয়োজন । এই কৌশলবোৰে পৰিৱৰ্তিত সমাজ ৰাজনৈতিক পট আৰু জীৱনৰ নেদেখা প্ৰত্যাহ্বানবোৰ মোকাবিলা কৰিবলৈ তেওঁলোকক সমৰ্থবান কৰি ,২০২০ ৰ মতে ,তোলে । ৰাষ্ট্ৰীয় শিক্ষানীতি"কাৰিকুলাম আৰু শিক্ষণ শৈলী(Pedagogy)ৰ সকলো স্তৰতে সংস্কাৰৰ মুখ্য সামগ্ৰিক(Overall) জোৰদাৰ হেঁচাটো হ'ব শিক্ষা ব্যৱস্থাক প্ৰকৃতবোধ আৰু কেনেকৈ শিকিব পাৰি তাক শিকোৱাৰ দিশত গতি কৰোৱা ।লক্ষ্য হ..............................................'ব একৈশ শতিকাৰ কৌশলেৰে সমৃদ্ধ এজন সৰ্বাত্মক দৃষ্টিভংগীৰ আৰু সকলোফালে পাৰ্গত ব্যক্তিৰ সৃষ্টি কৰা।"(As per the National Education Policy, 2020 "The Key overall thrust of curriculum and pedagogy reform across all stages will be to move the education system towards real understanding and learning how to learn .......................................... The goal will be to create a holistic and well-rounded individual equipped with key 21st century skills.")




চিত্ৰ -(১) OECD, UNESCOয়ে দিয়া ২১শতিকাৰ কৌশলসমূহ

ওপৰৰ চিত্ৰখনে একৈশ শতিকাৰ কেইটামান কৌশলক আলোকপাত কৰিছে।তদুপৰি বিশ্ব অৰ্থনৈতিক ফ'ৰামে( World Economic Forum)ও ২০২৫ চনৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় মুখ্য দহটা কৌশল চিনাক্ত কৰিছে।সেইকেইটা হৈছে-

- বিশ্লেষণাত্মক চিন্তা আৰু উদ্ভাৱন (Analytical Thinking And Innovation)
- সক্ৰিয় শিকন আৰু শিকন ৰণকৌশল(Active Learning And Learning Strategies)
- জটিল সমস্যা সমাধান (Complex Problem Solving)
- সমালোচনাত্মক চিন্তা আৰু বিশ্লেষণ(Critical Thinking And Analysis)
- সৃজনশীলতা, মৌলিকতা আৰু উদ্যোগ(Creativity, Originality And Initiative)
- নেতৃত্ব আৰু সামাজিক প্ৰভাৱ (Leadership And Social Influence)
- প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ, পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ(Technology Use,Monitoring And Control)
- প্ৰযুক্তিৰ ৰূপাংকন আৰু সাংকেতিকৰণ/ক্ৰিয়াপ্ৰণালী (Technology Design And Programming)
- স্থিতিস্থাপকতা,চাপ সহিষ্ণুতা আৰু নমনীয়তা (Resilience, Stress Tolerance And Flexibility)
- বিচাৰ ক্ষমতা, সমস্যা সমাধান আৰু ধাৰণাগঠন

## প্ৰতিফলনমূলকপ্ৰশ্ন (Reflective Questions):


- একৈশ শতিকাৰ দক্ষতাৰ বিষয়ে আপুনি অবগতনে?
- একৈশ শতিকাৰ দক্ষতাৰ বিষয়ে  আপোনাৰ বিদ্যালয়তআপুনি আলোচনা কৰিছেনে?

## <u>চিন্তা উদ্ৰেককাৰী প্ৰশ্নবোৰ(Thought Provoking Questions):</u>

- একৈশ শতিকাৰ দক্ষতা আহৰণৰ বাবে বিদ্যালয়ৰ মূৰব্বী হিচাপে আপুনি কি প্ৰচেষ্টা গ্ৰহণ কৰিছে ?
- ছাত্ৰছাত্ৰীৰ সামগ্ৰিক উন্নয়নত একৈশ শতিকাৰ দক্ষতাৰ আহৰণে কেনেদৰে সহায় কৰিব বুলি আপুনি ভাবে?

## <u>ৰিজ্জ'  (Rizzo)ৰ একৈশ শতিকাৰ 4C  নেতৃত্ব আৰ্হি আৰু লিড )LEAAD( ৰ 4C  আধাৰ  (Rizzo's 21st Century 4C Leadership Skills & LEAAD - 4C Conceptual Framework :</u>

Johnson Cornell Universityৰ Johnson Leadership Program ৰসঞ্চালক Rizzo )২০১২( য়ে একৈশ শতিকাৰ 4C নেতৃত্ব আৰ্হি আৰু LEAAD)২০১৪ ( য়ে4Cআধাৰ বিকশিত কৰিছিল ।Rizzoৰ 4Cনেতৃত্ব আৰ্হিত অন্তৰ্ভুক্ত হোৱা কৌশল কেইটা হৈছে - সামৰ্থ্য (Competence), চৰিত্ৰ (Character), সহানুভূতি (Compassion), আৰু সাহস (Courage) ।LEAAD য়েপৰৱৰ্তী পৰ্যায়তএই প্ৰত্যেক4Cৰ অধীনত উপকৌশল সংযোজিত কৰিছিল।
তলৰ চিত্ৰত ধাৰণাত্মক আধাৰৰ সৈতে সংপৃক্ত হৈ থকা এই কৌশলবোৰ দেখুওৱা হৈছে।




চিত্ৰ ) -২ ( ধাৰণাত্মক আধাৰ ) Conceptual Framework (

**চিন্তা উদ্ৰেককাৰী প্ৰশ্ন (Thought Provoking Question):**

- ৰিজ্জ' (Rizzo)ৰ একৈশ শতিকাৰ 4C নেতৃত্ব আৰ্হিত আৰু 4 টা 4C সংযোজন কৰি আপোনাৰ বিদ্যালয়নেতৃত্বৰ বিকাশ ঘটাব পাৰেনেকি ?

**সামৰণি (Conclusion):**

একৈশ শতিকাৰ বিদ্যালয় নেতৃত্ব প্ৰত্যাহ্বানমূলক কিন্তু লগতে পুৰস্কাৰপ্ৰদানকাৰীও। যদিওবা একৈশ শতিকাৰ বিদ্যালয় নেতৃত্ব অত্যন্ত প্ৰত্যাহ্বানমূলক যেন দেখা যায়, সঠিকভাৱেকাৰ্য সম্পাদনকৰিবপাৰিলে ই অত্যন্তপুৰস্কাৰ প্ৰদানকাৰী ৰূপেও পৰিগণিত হ'ব।মনতৰাখিবলাগিবযেএজন বিদ্যালয় নেতাই অকলেএকো আহৰণ কৰিব নোৱাৰে। তেওঁ গোটেই দলটোক লৈ সঠিক দিশতআগবাঢ়ি যাব লাগিব। শৈক্ষিক প্ৰতিষ্ঠানটোৰ লক্ষ্যত উপনীত হ 'বলৈ হ'লে এজন
বিদ্যালয় নেতা মুক্তমনৰ অধিকাৰী হ'ব লাগিব,তেওঁসহযোগিতাৰে কাম সম্পাদন কৰিবপাৰিবলাগিব, বিভিন্ন মতাদৰ্শক একমুখীকৰণৰ সক্ষমতা থাকিব লাগিব আৰু বিভিন্ন অভিৰোচন আৰু প্ৰয়োজনীয়তাৰেদলটোক নেতৃত্ব দিয়াৰ সক্ষমতা থাকিব লাগিব।
একৈশ শতিকাৰ প্ৰত্যাহ্বানবোৰ সাহসেৰে মোকাবিলা কৰিবলৈ বিদ্যালয় নেতাসকলেনিশ্চিত ভাৱেএকৈশ শতিকাৰ কৌশল বাদক্ষতাসমূহৰ বিষয়েজানিব লাগিব। সেইগতিকে একৈশ শতিকাৰ কৌশল বা দক্ষতাৰবিষয়ত বৃত্তিগত বিকাশৰ কৰ্মশালা বিদ্যালয় নেতাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। যদি তেওঁলোকৰ কিছু কৌশলৰ বিষয়ে জ্ঞান নাথাকে, তেন্তে
কৰ্মশালাৰ জৰিয়তে তাক আহৰণ কৰি একৈশ শতিকাৰ প্ৰত্যাহ্বান
সমূহ সাহসেৰে মোকাবিলা কৰিবলৈ সক্ষম হ'ব।

**সম্বন্ধীয় পাঠ্যপুথি/লিংক (References):**


- Akinbode, A.I., Al Shuhumi,S.R.A.(2018). The principalship in the ‘Twenty-First century. PUPIL: International Journal of Teaching, Education and Learning' 2(2).
- Dede,C. (2009). Comparing frameworks for 21st century skills.
  21st century Skills: Re-thinking how students learn, 20, 51-76.
- LEAAD, (2014). The LEAAD 4C Framework http:// leaad.org/about-leaad.aspx?pg=au#4C_model.
- Martin Roll (2016). Leadership in the 21st century. https://martinroll.com/resources/articles/leadership/leadership -in the-21st-century/
- Northhouse, P.G. (2012). Introduction to leadership: Concepts and practice: Concepts and practice (2nd edition). Sage publications.
- Pedagogical Leadership: A handbook for Leading Learning in schools published by CBSE, Delhi-110092& NIEPA, New Delhi.
- Rizzo, P.J. (2012). The 4Cs of leadership. (2012) on October 9, 2015, https://www2.johnson.cornwell.edu/almni/enterprise/fall 2012/index.cfm?ction=department &departmrnt_id=3.
- Suto, I. (2013). 21st Century skills: Ancient, ubiquitous, enigmatic. Research Matters: A Cambridge assessment publication, 15, 2-8.